# বঙাইগাঁও পৌৰসভাৰ কাৰ্য্যালয় ঃঃ বঙাইগাঁও

নং বি এম / এচ এম- ১৪/২০২৩-২৪/৩১ তাৰিখ ঃ ১০-০৪-২০২৩

## -ঃ নিবিদা জাননী ঃ-

ইয়াৰ দ্বাৰা সৰ্বসাধাৰণ ৰাইজক জনোৱা হয় যে, বঙাইগাঁও পৌৰসভাৰ অন্তৰ্গত নিম্নলিখিত বজাৰ/মহলৰ ২০২৩-২৪ চনৰ (২৭ এপ্ৰিল, ২০২৩ চনৰ পৰা ২০২৪ চনৰ ৩১ মাৰ্চলৈ) ১১মাহ ৪ দিনৰ ইজাৰা পত্তন দিয়াৰ কাৰণে নিম্নলিখিত চৰ্ত্ত সাপেক্ষে ইচ্ছুক ব্যক্তিৰ পৰা চিল মোহৰ যুক্ত নিবিদা আহ্বান কৰা হ'ল। নিবিদা সমূহ অহা ২৪-০৪-২০২৩ ইং তাৰিখে দিনৰ ১২ বজাৰ ভিতৰত নিম্ন স্বাক্ষৰকাৰীৰ কাৰ্য্যালয়ত গ্ৰহণ কৰা হ'ব। কিবা কাৰণত উক্ত দিনা কাৰ্য্যালয় বন্ধ থাকিলে পিছৰ কাৰ্য্যালয় খোলাৰ দিনটোত নিবিদা গ্ৰহণ কৰা হ'ব আৰু সেইদিনা দিনৰ ১ (এক) বজাত ইচ্ছুক নিবিদা দাতাৰ সম্মুখতে নিবিদা সমূহ খোলা হ'ব। উক্ত নিবিদা সমূহৰ বৈধতা নিৰীক্ষণৰ পিছত পত্তনৰ যোগ্যতা ঘোষণা কৰা হ'ব। নিবিদা দাতাই পৌৰসভাৰ নিৰ্দ্ধাৰিত তলত লিখা মূল্যৰ নিৰ্দ্দিষ্ট প্ৰ-পত্ৰত ৮.২৫ টকা মূল্যৰ কোৰ্ট ফি লগাই নিবিদা দাখিল কৰিব লাগিব। নিম্ন চৰ্ত্তাবলী পৰিপূৰ্ণ কৰি নিবিদা ডাক যোগে প্ৰেৰণ কৰিলে নিৰ্দ্দিষ্ট তাৰিখ আৰু সময়ৰ ভিতৰত পাব পৰাকৈ হ'ব লাগিব। অন্যথায় নিবিদা গ্ৰহণ যোগ্য নহ'ব।

| | বজাৰ/মহলৰ নাম আৰু স্থান | চাৰিসীমা |
|---|---|---|
| ১ | পাগলাস্থান দৈনিক বজাৰ | উত্তৰে ঃ পি এণ্ড টি কাৰ্য্যালয়ৰ ওচৰৰ পথ<br>দক্ষিণে ঃ ৰেল লাইন<br>পূবে ঃ মিল ৰোড, গুৰুদুৱাৰা ৰোড হৈ পাগলাস্থান<br>পশ্চিমে ঃ জেষ্ঠ অনুবিভাগ অভিযন্তাৰ কাৰ্য্যালয়ৰ পশ্চিম ফালৰ ৰাস্তাৰ উভয় ফাল |
| ২ | অটো-টেম্পো পাৰ্কিং মহল | পৌৰ এলেকাৰ ভিতৰত |
| ৩ | ট্ৰাক লোডিং/আনলোডিং | পৌৰ এলেকাৰ ভিতৰত |
| ৪ | বৰপাৰা দৈনিক বজাৰ | উত্তৰে ঃ বৰপাৰা ৰাজহুৱা খেলপথাৰৰ উত্তৰ ফাল<br>দক্ষিণে ঃ দেউৰীপাৰা সমবায় গুদাম ঘৰ<br>পূবে ঃ নামঘৰ<br>পশ্চিমে ঃ পৌৰ সভাৰ সীমা |
| ৫ | উত্তৰ বঙাইগাঁও দৈনিক বজাৰ | উত্তৰে ঃ পৌৰ সভাৰ সীমা<br>দক্ষিণে ঃ গোপীনাথ বৰদলৈ পথ (মিছনৰ সীমাৰ ভিতৰত মাছৰ বজাৰ আৰু ওল্ড কলোনীৰ ৰথ মন্দিৰঘৰ বাদে)<br>পূবে ঃ শাস্ত্ৰী ৰোড হৈ মহিমা ৰঞ্জন ঘোষ পথ।<br>পশ্চিমে ঃ সীতানাথচৌধুৰী পথ (বঙাইগাঁও কলেজ গেটলৈ) |
| ৬ | দোলাইগাঁও বজাৰ | উত্তৰে ঃ পৌৰ সভাৰ সীমা<br>দক্ষিণে ঃ নিউ বঙাইগাঁও ৰেলৱে পথ<br>পূবে ঃ পি.ডব্লিউ. ডি. ৰোড/চিলাৰায় পথ<br>পশ্চিমে ঃ পৌৰ সভাৰ সীমা |

### ঃ নিয়ম আৰু চৰ্ত্তাবলী ঃ

১। নিবিদাৰ লগত উক্ত বজাৰ/মহলৰ কাৰণে নিম্নলিখিত পৰিমাণৰ ধন আমানত জমা হিচাবে বেংক ড্ৰাফট যোগে বঙাইগাঁও পৌৰসভাৰ নামত জমা দিব লাগিব। অকৃতকাৰ্য্য নিবিদা দাতাৰ আমানতৰ ধন ইজাৰা পত্তন বন্দোবস্ত হোৱাৰ প্ৰথম সপ্তাহৰ পিছত ঘুৰাই দিয়া হ'ব। কৃতকাৰ্য্য নিবিদা দাতাৰ আমানত জমাৰ ধন বিত্তীয় বছৰৰ শেষলৈ থাকিব। বঙাইগাঁও পৌৰসভাৰ বজাৰ/মহলৰ ২০২৩-২৪ চনৰ (১১ মাহ ৪ দিন) বাবে পৌৰসভাই ধাৰ্য্য কৰা নিবিদা মূল্য আমানত জমাৰ ধন, প্ৰ-পত্ৰৰ মূল্যৰ বিবৰণ তলত লিখি দিয়া হ'ল।

Chairman
Bongaigaon Municipal
Bongaigaon

| ক্রঃ নং | বজাৰ মহলৰ নাম | ২০২৩-২৪ চনৰ পৌৰসভাৰ নিৰ্দ্ধাৰিত মূল্য | আমানত জমা জমা ধনৰ পৰিমাণ | নিবিদা প্ৰ-পত্ৰৰ মূল্য | গৃহীত নিবিদা মূল্যৰ ১ম কিস্তি ধনৰ হাৰ |
|---|---|---|---|---|---|
| ১ | পাগলাস্থান দৈনিক বজাৰ | ৯,৫৭,৯১২.০০ | ৪৭,৮৯৬.০০ | ৫০০.০০ | ৫০% |
| ২ | অটো-টেম্পো পাৰ্কিং মহল | ৫,২৩,৩৭৮.০০ | ২৬,১৬৯.০০ | ৫০০.০০ | ৫০% |
| ৩ | ট্ৰাক লোডিং/আনলোডিং | ৭,৩২,৭০৭.০০ | ৩৬,৬৩৫.০০ | ৫০০.০০ | ৫০% |
| ৪ | বৰপাৰা দৈনিক বজাৰ | ৯৪,২০৫.০০ | ৪,৭১০.০০ | ৫০০.০০ | ৫০% |
| ৫ | উত্তৰ বঙাইগাঁও দৈনিক বজাৰ | ৩,৬৬,৩৫৩.০০ | ১৮,৩১৮.০০ | ৫০০.০০ | ৫০% |
| ৬ | দোলাইগাঁও বজাৰ, | ২,০০,০০০.০০ | ১০,০০০.০০ | ৫০০.০০ | ৫০% |

২। নিবিদা মূল্য গৃহীত বিবেচিত হোৱা কোনো নিবিদা দাতাই বজাৰ/মহল লোৱাত অসন্মতি প্ৰকাশ কৰিলে তেওঁৰ আমানত জমাৰ ধন বাজেয়াপ্ত কৰা হ'ব আৰু পৰবৰ্ত্তী নিবিদা দাতাক নাইবা পুণঃ নিবিদা আহ্বান ক্ৰমে উক্ত বজাৰ মহলৰ ইজাৰাপত্তন দিয়া হ'ব। ইয়াৰ ফলত যদি পৌৰসভাৰ ক্ষতি বা লোকচান ভৰিব লগা লগা হয়, তেনেহ'লে ক্ষতিৰ সম্পূৰ্ণ ধন, উক্ত অসন্মতি দাতাই পৌৰ সভাক আদায় দিবলৈ বাধ্য থাকিব লাগিব।

৩। নিবিদাৰ লগত পেনকাৰ্ড, জি.এচ.টি., ভূমিৰ ৰাজহ, গাঁও পঞ্চায়তৰ কৰ, পৌৰকৰ, ট্ৰেড লাইচেন্সৰ মাচুল, পৌৰসভাৰ কোঠালীৰ ভাৰা/বজাৰ ডাকৰ কিস্তি আদিৰ দাবীমুক্তৰ প্ৰমাণ পত্ৰ নাইবা তাৰ প্ৰত্যায়িত নকল দাখিল কৰিব লাগিব।

৪। নিবিদা দাতাৰ নিজা নামত নাইবা পিতাৰ/পৰিবাৰৰ নামত স্থাৱৰ সম্পত্তি থকাৰ প্ৰমাণ হিচাবে মাটিৰ পট্টাৰ প্ৰত্যায়িত নকল দাখিল কৰিব লাগিব আৰু নিবিদা মূল্যৰ আৰ্থিক সক্ষমতা থকাৰ প্ৰমাণ পত্ৰ উপযুক্ত কৰ্তৃপক্ষৰ যেনে ঃ বেঙ্ক, চক্ৰ বিষয়া নাইবা বৈধ মূল্য নিৰ্ধাৰণকাৰী বিষয়াৰ পৰা লৈ দাখিল কৰিব লাগিব।

**অথবা**

নিবিদা মূল্যৰ সমপৰিমাণৰ ধন পৰিশোধ কৰিব পৰা আৰ্থিক সক্ষমতা থকা উপযুক্ত প্ৰমাণ পত্ৰসহ বঙাইগাঁও পৌৰসভাৰ এলেকাত নিজৰ নামত হোল্ডিং থকা কমেও ১ জন জামিনদাৰ নিবিদা দাতাই আগবঢ়াব লাগিব।

৫। জামিনদাৰৰ নামত থকা হোল্ডিং মাটিৰ পট্টা, জমাবন্দিৰ প্ৰত্যায়িত নকল, বৰ্ত্তমান চনৰ ভূমি-ৰাজহ, পৌৰ কৰ, মাচুল, পৌৰসভাৰ কোঠালীৰ ভাৰা, বজাৰ মহল আদিৰ কিস্তি মুক্ত প্ৰমাণ পত্ৰ দি নিবিদাৰ লগতে গাঠি দি কমেও ২ জন সাক্ষীসহ জামিনদাৰ জনে নিবিদা প্ৰ-পত্ৰ স্বাক্ষৰদান কৰিব লাগিব আৰু তেওঁ জামিন লোৱা ইজাৰাদাৰে ইজাৰা পত্তন পোৱা বজাৰ/মহলৰ কিস্তিৰ ধন নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত যদি নিদিয়ে তেনহলে উক্ত সম্পূৰ্ণ ধন তেওঁ আদায় দিবলৈ নাইবা তেওঁৰ স্থাৱৰ/অস্থাৱৰ সম্পত্তিৰ পৰা পৌৰসভাই আদায় কৰিবলগা পৰিস্থিতি হ'লে, তেওঁ/জামিনদাৰ জন বাধ্য থাকিব লাগিব। ইয়াৰ বিৰুদ্ধে জামিনদাৰে কোনো দাবী বা অপত্তি কৰিব নোৱাৰিব। কৰিলে আইনতঃ অগ্ৰাহ্য হ'ব।

৬। কোনো অনুষ্ঠান,প্ৰতিষ্ঠান, সন্থা, সংঘ সমবায়ৰ ক্ষেত্ৰত সংশ্লিষ্ট কৰ্তৃপক্ষৰ পঞ্জীয়ন হ'ল লাগিব। নাবালক/ নাবালিকাৰ নামত আৰু পূৰ্বৰ কিস্তি খিলাপকাৰীৰ নিবিদা গ্ৰহণযোগ্য নহ'ব।

৭। উক্ত বজাৰ/মহলৰ বাবে পৌৰসভাই নিৰ্দ্দিষ্ট কৰা নিবিদা মূল্য নেপালে বা অনুপযুক্ত বুলি বিবেচিত হ'লে, এই জাননীত লিখা নিবিদা দাখিলৰ তাৰিখৰ ৭ দিনৰ ভিতৰত সংক্ষিপ্ত জাননীৰ জৰিয়তে পুনৰ নিবিদা আহ্বান কৰা হ'ব বা পৌৰসভাৰ প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে পৰিচালনা কৰাৰ ক্ষমতা থাকিব।

৮। উচ্চ হাৰত বা নিম্ন হাৰত যিকোনো হাট, বজাৰ বা মহল, যি কোনো নিবিদামূল্যত ইজাৰা পত্তন দিয়া বা নিদিয়াৰ পূৰ্ণ ক্ষমতা কৰ্তৃপক্ষৰ থাকিব। তাৰ কোনো কাৰণ দৰ্শাবলৈ কৰ্তৃপক্ষ বাধ্য নেথাকিব। তাৰবাবে কোনো দাবী বা আপত্তি কৰা নচলিব।

৯। নিবিদা মূল্য উপযুক্ত হিচাপে গৃহীত হোৱা বুলি বিবেচিত হলে নিবিদা গ্ৰহণৰ পিছৰ দিনাই নিবিদা মূল্যৰ ৫০% ধন বেংকৰ চেক/বেংক ড্ৰাফট যোগে ১ম কিস্তি হিচাবে আদায় দিব লাগিব। বাকী থকা ৫০ % ধনৰ তিনিটা সমান কিস্তিত ৩০ জুন/২০২৩, ৪ চেপ্তম্বৰ/২০২৩ আৰু ৩১ ডিচেম্বৰ/২০২৩ ইং তাৰিখৰ ভিতৰত আদায় দিব লাগিব। কিস্তিৰ ধন নিৰ্দ্দিষ্ট তাৰিখৰ ভিতৰত আদায় নিদিলে ইজাৰা পত্তন নাকচ বুলি গণ্য কৰি পুনৰ নিবিদা আহ্বান বা চানী ডাকৰ যোগে দি নাইবা প্ৰত্যক্ষ বা পৰোক্ষাভাৱে উক্ত বজাৰ, মহল পৰিচালনা কৰাৰ ক্ষমতা পৌৰসভাৰ/কৰ্তৃপক্ষৰ হাতত থাকিব। এই বিষয়ে যিকোনো দাবী বা আপত্তি গ্ৰহণ যোগ্য নহ'ব, কৰিলে অগ্ৰাহ্য হ'ব। তাৰবাবে উদ্ভৱ হোৱা ক্ষতি বা লোকচান ধন ইজাৰাদাৰে পৌৰসভাক আদায় দিব লাগিব।

Chairman
Bongaigaon Municipal...
Bongaigaon

১০। ইজাৰাপত্তন বন্দোবস্ত হোৱাৰ ৭ (সাত) দিনৰ ভিতৰত ইজাৰাদাৰৰ নিজা প্ৰচেষ্টাত নিম্ন স্বাক্ষৰকাৰীৰ লগত চুক্তি পত্ৰ সম্পাদন কৰিব লাগিব আৰু চুক্তি পত্ৰৰ কাৰণে আৱশ্যকীয় দলিল (ষ্ট্যাম্পাদি) পঞ্জীয়ন মাচুল আদিৰ যোগান ইজাৰাদাৰে ধৰিব লাগিব, অন্যথায় তৎকালিনভাৱে বলবৎ হোৱাকৈ জাননী জাৰি কৰি ইজাৰাপত্তন নাকচ কৰাৰ ক্ষমতা কৰ্তৃপক্ষৰ হাতত থাকিব। তাৰ বিৰুদ্ধে কোনো দাবী বা আপত্তি কৰা নচলিব, কৰিলে অগ্ৰাহ্য হ'ব।

১১। উক্ত বজাৰ, মহলৰ, নিৰ্দ্ধাৰিত সীমাৰ বাহিৰত আৰু পৌৰসভাৰ নিৰ্দ্ধাৰিত নিৰিখতকৈ অধিক হাৰত ইজাৰাদাৰে খাজনা/তোলা আদায় কৰিব নোৱাৰিব। নিৰ্দ্ধাৰিত হাৰতকৈ অধিক খাজনা/তোলা আদায় কৰিলে পৌৰসভাৰ বিহিত ব্যৱস্থা লোৱাৰ ক্ষমতা থাকিব।

১২। ইজাৰাদাৰে নিজা খৰচেৰে ছপা ৰছিদৰ জৰিয়তে নিৰ্দ্ধাৰিত হাৰত খাজনা/তোলা আদায় কৰিব লাগিব। প্ৰতিখন ৰচিদ বহী পৌৰসভাৰ কাৰ্য্যবাহী বিষয়া/ সভাপতি/উপ সভাপতিৰ দ্বাৰা চাৰ্টিফাই কৰিব লাগিব।

১৩। উক্ত বজাৰ, মহলৰ খাজনা তোলা আদায় কৰাৰ কাৰণে নিয়োগ কৰা কৰ্মীৰ ফটোসহ পৰিচয় পত্ৰ ইজাৰাদাৰে প্ৰদান কৰিব লাগিব আৰু পৌৰ কৰ্তৃপক্ষৰ প্ৰতি স্বাক্ষৰিত কৰাই লব লাগিব। এনে আদায়কাৰীৰ সম্পূৰ্ণ ঠিকনাৰ তালিকা ১ খন পৌৰ কাৰ্য্যালয়ত দাখিল কৰিব লাগিব

১৪। উক্ত বজাৰ, মহলৰ জাবৰ-জোথৰ ইজাৰাদাৰে নিজা খৰচত চাফাই কৰিব লাগিব।

১৫। ৰাজহুৱা স্বাৰ্থৰ খাতিৰত প্ৰয়োয়ন বোধে উক্ত বজাৰ, মহলৰ যি কোনো অংশ বৰ্ত্তমানে বহা ঠাইৰ পৰিবৰ্ত্তন কৰি স্থানান্তৰ কৰা হ'ব পাৰে। এনে ধৰণৰ যিকোনো পৰিবৰ্ত্তনক ইজাৰাদাৰে মানিবলৈ বাধ্য থাকিব লাগিব। তাৰ কাৰণে কোনো ধৰণৰ ৰেহাই বা ক্ষতিপূৰণ দাবি কৰিব নোৱাৰিব।

১৬। ৰাজহুৱা ৰাস্তা বা যান-বাহন চলাচল পথত হাট-বজাৰ বহুৱাৰ পৰা বিৰত থাকিব লাগিব। ইয়াৰ অন্যথাই কোনো দুৰ্ঘটনা হ'লে বা আন কোনো প্ৰকাৰৰ ক্ষয়-ক্ষতিৰ বাবে ইজাৰাদাৰে সম্পূৰ্ণ দায়ী থাকিব।

১৭। যান-বাহন পাৰ্কিংৰ ক্ষেত্ৰত পাৰ্কিং ইজাৰাদাৰে নিজাববীয়াকৈ যান-বাহন শৃংখলাবদ্ধ ৰখাৰ প্ৰয়োজনীয় ব্যৱস্থা কৰিব লাগিব।

১৮। দৈবদুৰ্বিপাক, বানপানী, হৰতাল, বন্ধ আহ্বান বা যিকোনো কাৰণত হোৱা ইজাৰাদাৰে ক্ষতি বা লোকচানৰ কাৰণে কিস্তিৰ ধন কোনো ধৰণৰ ৰেহাই বা ক্ষতিপূৰণ দিবলৈ বা ইজাৰাৰ ম্যাদ বৃদ্ধি কৰিবলৈ কৰ্তৃপক্ষ বাধ্য নেথাকিব।

১৯। পৌৰসভাৰ আবন্টন প্ৰাপ্ত কোঠালী আৰু পট্টাভুক্তমাটিত থকা নিজা বা ভাৰাৰ ঘৰ বা ৰেলৰ লিজ প্ৰাপ্ত ঘৰৰ পৌৰসভাৰ অনুজ্ঞাপত্ৰ প্ৰাপ্ত দোকান আৰু পৌৰসভাৰ অনুজ্ঞাপত্ৰ প্ৰাপ্ত ব্যক্তিগত বজাৰৰ ক্ষেত্ৰত খাজনা/তোলা প্ৰযোজ্য নহব।

২০। নিবিদাজাননীৰ নিয়ম আৰু চৰ্ত্তাৱলী/চুক্তি চৰ্ত্তাৱলীৰ কোনো ধাৰা ভঙ্গ কৰিলে, তৎকালেই বিহিত ব্যৱস্থা গ্ৰহণ কৰা ক্ষমতা কৰ্তৃপক্ষৰ হাতত থাকিব আৰু প্ৰয়োজন সাপেক্ষে আমানত ধন, কিস্তিৰ ধন বাজেয়াপ্ত কৰি উক্ত বজাৰ, মহলৰ পুনৰ পত্তন দিয়াৰ ক্ষমতা কৰ্তৃপক্ষৰ হাতত থাকিব। পুনৰ পত্তন দিয়াৰ ফলত হোৱা ক্ষতি বা লোকচান ক্ষতিপূৰণ, চৰ্ত্ত ভঙ্গকাৰী ইজাৰাদাৰে ভৰিব লাগিব।

২১। উক্ত বজাৰ, মহল সম্পৰ্কীয় যিকোনো বিষয়ত কৰ্তৃপক্ষৰ সিদ্ধান্তই চুৰান্ত সিদ্ধান্ত বুলি বিবেচিত হ'ব। তাৰ বিৰুদ্ধে কোনো দাবী বা আপত্তি কৰা নচলিব। কৰিলে অগ্ৰাহ্য হ'ব।

২২। যিকোনো বজাৰৰ ব্যৱসায়ীক পৌৰ অনুজ্ঞা পত্ৰ দিয়া/নিদিয়াৰ ক্ষমতা পৌৰ কৰ্তৃপক্ষৰ হাতত অক্ষত থাকিব।

২৩। অকৰ্ত্তৃত্বশীল ভাৱে চৰকাৰী/বেচৰকাৰী স্থানত বহি থকা যিকোনো দোকান/পোহাৰ/ হাট বজাৰৰ পৰা ইজাৰাদাৰে খাজনা আদায়ৰ কাৰ্য্যকালত সংশ্লিষ্ট কৰ্তৃপক্ষই যদি কোনো দাবী আপত্তি বা উচ্ছেদাদিৰ ব্যৱস্থা কৰে তাৰবাবে পৌৰসভাই কোনো দায়-দায়িত্ব বহন নকৰিব বা ইজাৰাদাৰে কোনো দাবী বা আপত্তি ক্ষতিপূৰানাদি দাবী কৰিব নোৱাৰিব।

২৪। পূৰ্বৰ কোনো ইজাৰাদাৰৰ বিৰুদ্ধে পৌৰসভাৰ নিৰিখতকৈ অধিক হাৰত খাজনা (তোলা) আদি আদায় কৰা হাট, বজাৰ, মহলাদিৰ ক্ষতিকাৰক কোনো আচৰণ কৰাৰ প্ৰমাণিত অভিযোগ থাকিলে তেনে ইজাৰাপত্তনৰ নিবিদা গ্ৰহণ যোগ্য নহ'ব।

২৫। অসম্পূৰ্ণ বা বা যিকোনো প্ৰকাৰৰ ব্যাতিক্ৰম থকা নিবিদা গ্ৰহণযোগ্য নহ'ব।

২৬। নিবিদাৰ প্ৰ-পত্ৰ, ১৩-০৪-২০২৩ ইং তাৰিখৰ পৰা ১৯-০৪-২০২৩ ইং তাৰিখলৈ আবেলি ৩-০০ বজাৰ ভিতৰত সংগ্ৰহ কৰিব পাৰিব। নিৰ্দ্দিষ্ট তাৰিখ আৰু সময়ৰ পিছত নিবিদা প্ৰ-পত্ৰ দিয়া নহ'ব।

Chairman
Bongaigaon Municipality
Bongaigaon

১৭। গৰুৰ খোৱাৰৰ বিতং তথ্যৰ বাবে পৌৰসভাৰ কাৰ্য্যালয়ত যোগাযোগ কৰিব পাৰিব।

বি.দ্ৰ. ঃ চিলাৰায় দৈনিক বজাৰ আৰু পাৰ্কিং মহলৰ নিবিদা আহ্বান কৰা নহ'ল যিহেতু উক্ত বজাৰ দুখন সন্মানীয় উচ্চ ন্যায়ালয়ৰ (কেচ নং- WP(C) No. 2874/2022) অধীনত বিচৰাধীন হৈ আছে।

সভাপতি
বঙাইগাঁও পৌৰসভা, বঙাইগাঁও
Chairman
Bongaigaon Municipality
Bongaigaon

মেমো নং ঃ বি এম/এচ এম-১৪/২০২৩-২৪/৩১ – ক

তাৰিখ ঃ ১০-০৪-২০২৩

ইয়াৰ প্ৰতিলিপি জ্ঞাতাৰ্থে আৰু বহুল নিম্নলিখিত সকলো লৈ প্ৰেৰণ কৰা হ'ল ঃ-

১। আয়ুক্ত সচিব, পৌৰ প্ৰশাসন বিভাগ, অসম দিছপুৰ, গুৱাহাটী-৬
২। সঞ্চালকস পৌৰ প্ৰশাসন বিভাগ, অসম দিছপুৰ, গুৱাহাটী-৬
৩। উপায়ুক্ত, বঙাইগাঁও জিলা, বঙাইগাঁও।
৪। সভাপতি, বঙাইগাঁও জিলা পৰিষদ।
৫। চক্ৰ বিষয়া , বঙাইগাঁও ৰাজহ চক্ৰ।
৬। কাৰ্য্যবাহী অভিযন্তা,জল সিঞ্চন বিভাগ, বঙাইগাঁও
৭। কাৰ্য্যবাহী অভিযন্তা, গড় কপ্তানী বিভাগ (পথ), বঙাইগাঁও।
৮। সভাপতি, বঙাইগাঁও উন্নয়ণ কৰ্তৃপক্ষ, বঙাইগাঁও।
৯। উপ-সঞ্চালক, নগৰ আৰু গাঁও পৰিকল্পনা বিভাগ, বঙাইগাঁও।
১০। সহকাৰী নিয়োগ বিষয়া, নিয়োগ বিনিময় কেন্দ্ৰ, বঙাইগাঁও।
১১। সঞ্চালক জিলা উদ্যোগ কেন্দ্ৰ, নিউবঙাইগাঁও।
১২। সঞ্চালক, কোকৰাঝাৰ/গোৱালপাৰা/বৰপেটা ৰোড পৌৰসভা।
১৩। সভাপতি, অভয়াপুৰী/বিজনী/বাসুগাঁও/চাপৰ নগৰ সমিতি।
১৪। সভাপতি/সম্পাদক, বঙাইগাঁও গাঁও পঞ্চায়ত।
১৫। পূৰ্বৰ ইজাৰাদাৰ শ্ৰী .............................................. লৈ।
১৬। কাৰ্য্যালয় জাননী ফলক।

সভাপতি
বঙাইগাঁও পৌৰসভা, বঙাইগাঁও
Chairman
Bongaigaon Municipality
Bongaigaon